## আলোচনাচক্ৰ

# ‘ঔপনিৱেশিক কালৰ গোৱালপাৰাৰ বাণিজ্য’

নিজা বাতৰি দিওঁতা

গোৱালপাৰা, ১ মাৰ্চ ঃ গোৱালপাৰা মহাবিদ্যালয়ৰ বুৰঞ্জী বিভাগৰ উদ্যোগত আজি ‘ঔপনিৱেশিক কালৰ গোৱালপাৰাৰ বাণিজ্য’ শীৰ্ষক এখন আলোচনাচক্ৰ অনুষ্ঠিত হয়। গোৱালপাৰা মহাবিদ্যালয়ৰ অধ্যক্ষ ডঃ সুভাষ বৰ্মনে সঞ্চালনা কৰা আলোচনাচক্ৰত মুখ্য আলোচক হিচাপে ১১ পৃষ্ঠাত চাওক

# 'ঔপনিৱেশিক কালৰ

উপস্থিত থাকে শ্বিলঙৰ উত্তৰ-পূব পাৰ্বত্য বিশ্ববিদ্যালয়ৰ বুৰঞ্জী বিভাগৰ প্ৰাক্তন মুৰব্বী অধ্যাপক অমৰেন্দ্ৰ কুমাৰ ঠাকুৰে। অধ্যাপক ঠাকুৰে ভাষণ প্ৰসংগত উত্তৰ-পূব ভাৰতৰ ইতিহাস চৰ্চাত গোৱালপাৰাৰ ঐতিহাসিক গুৰুত্ব উপেক্ষা কৰা হৈ আহিছে বুলি মন্তব্য কৰে। তেওঁ আৰু কয় যে প্ৰাচীন কাল, মধ্যযুগ আৰু ঔপনিৱেশিক কালত উত্তৰ-পূব ভাৰতৰ ব্যৱসায়-বাণিজ্যৰ ক্ষেত্ৰত গোৱালপাৰাৰ যি ঐতিহাসিক গুৰুত্ব, তাক উপযুক্ত প্ৰেক্ষাপটত দাঙি ধৰা হোৱা নাই। ভূটান আৰু গাৰোপাহাৰৰ লগতে আহোম ৰাজ্যৰ ব্যৱসায়- বাণিজ্য মূলতঃ গোৱালপাৰাৰ পথেদিয়েই পৰিচালিত হৈছিল। গোৱালপাৰাৰ বিভিন্ন বনজ সম্পদ, কপাহ, হাতী আদিৰ ব্যৱসায়ত বিশেষ গুৰুত্ব আছিল। প্ৰাচীন কালৰেপৰা গোৱালপাৰাৰ ইতিহাসৰ পুনৰ্নিৰ্মাণৰ জৰিয়তে গোৱালপাৰাৰ এখন সামগ্ৰিক বুৰঞ্জী ৰচনাৰ প্ৰয়োজন আছে বুলি তেওঁ মতপোষণ কৰে। আলোচনাচক্ৰ সঞ্চালনা কৰি গোৱালপাৰা মহাবিদ্যালয়ৰ অধ্যক্ষ ডঃ সুভাষ বৰ্মনে প্ৰাক-ঐতিহাসিক কালৰপৰা গোৱালপাৰাৰ গুৰুত্বৰ কথা উনুকিয়াই সূৰ্য পাহাৰৰ পুৰাতত্ত্ব গৱেষণাই উত্তৰ-পূব ভাৰতৰ ইতিহাসত নতুন অধ্যায়ৰ সংযোজন কৰিব পাৰে বুলি মন্তব্য কৰে। আলোচনাচক্ৰত গোৱালপাৰা মহাবিদ্যালয়ৰ বুৰঞ্জী বিভাগৰ মুৰব্বী অধ্যাপক যশোৱন্ত ৰায়, অধ্যাপক ডঃ ৰোডী ফাৰহেইন, সহকাৰী অধ্যাপক নিখিল মালাকাৰেও নিজৰ বক্তব্য দাঙি ধৰে। আলোচনাচক্ৰত প্ৰাক্তন অধ্যাপক ডঃ সিদ্ধিনাথ শৰ্মা, বি এন কলেজৰ প্ৰাক্তন অধ্যক্ষ ডঃ অহিজুদ্দিন শেখেও ভাষণ প্ৰদান কৰে।